নোৱাৰে অথবা বাক্য সম্পূৰ্ণ কৰিবলৈ যি ক্ৰিয়াই অন্য ক্ৰিয়াৰ ওপৰত নিৰ্ভৰ কৰিব লাগে, তেনে ক্ৰিয়াপদেই অসমাপিকা ক্ৰিয়া। যেনে,

ৰীতা ভাত **খাই** শুলে।

ইয়াত **খাই** এই ক্ৰিয়াপদটোৱে বাক্যটোৰ অৰ্থ সম্পূৰ্ণ কৰিব পৰা নাই; ইয়াৰ পাছত **শুলে** ক্ৰিয়াপদ ব্যৱহাৰ কৰিলতহে বাক্যৰ অৰ্থও সম্পূৰ্ণকৈ প্ৰকাশ পালে আৰু বাক্যটোও শেষ হোৱা বুজালে। গতিকে বাক্যৰ অৰ্থ সম্পূৰ্ণ কৰিবৰ কাৰণে **খাই** ক্ৰিয়া **শুলে** সমাপিকা ক্ৰিয়াৰ ওপৰত নিৰ্ভৰশীল। গতিকে **খাই** অসমাপিকা ক্ৰিয়া।

অসমাপিকা গঠন কৰা কৃৎ প্ৰত্যয় হৈছে 'ই'। যি কোনো ধাতুৰ পাছত 'ই' কৃৎ প্ৰত্যয় যোগ কৰি অসমাপিকা ক্ৰিয়া সিদ্ধ বা গঠন কৰা হয়। কাল আৰু পুৰুষ অনুযায়ী এইবোৰ ক্ৰিয়া ৰূপ নহয়। ইহঁত সিদ্ধ ৰূপৰ। সেয়েহে অসমাপিকা ক্ৰিয়াক সিদ্ধা ক্ৰিয়াও বোলে। এনে কিছুমান সিদ্ধা বা অসমাপিকা ক্ৰিয়া হৈছে ঃ কৰি, পঢ়ি, হাঁহি, লিখি, শুই, বহি, উঠি, ফুৰি, ঘূৰি, চৰি ইত্যাদি।

এটা সমাপিকা ক্ৰিয়াৰ অসমাপিকা ক্ৰিয়া থাকিবও পাৰে, নাথাকিবও পাৰে; অসমাপিকা থকা-নথকাটো বক্তাৰ কথা কোৱাৰ ধৰণৰ ওপৰত নিৰ্ভৰশীল। তথাপি বাক্য সংক্ষিপ্ত আৰু শ্ৰুতিমধুৰ কৰিবলৈ আৰু এটা সমাপিকা ক্ৰিয়াৰ লগত কেইবাটাও কাৰ্য কৰাৰ অৰ্থ প্ৰকাশ কৰিবলৈ অসমাপিকা ক্ৰিয়াৰ অৱশ্যই প্ৰয়োজন আছে। এনে ক্ষেত্ৰত এটা সমাপিকা ক্ৰিয়াৰ এটা বা একাধিক অসমাপিকা ক্ৰিয়া থাকিব পাৰে। যেনে,

সি গা **ধুই** ভাত **খাই** কাপোৰ-কানি **পিন্ধি** স্কুললৈ গ'ল।

এই বাক্যটোত **সি** কৰ্তাই কেইবাটাও কাম কৰিলে — গা ধুলে, ভাত খালে, কাপোৰকানি পিন্ধিলে আৰু স্কুললৈ গ'ল। ইয়াৰ ভিতৰত তেওঁৰ স্কুললৈ যোৱাটোৱেই প্ৰধান আৰু শেহৰ কাৰ্য, আৰু এই কাৰ্য বুজোৱা **গ'ল** টোৱে বাক্যটো সম্পূৰ্ণ কৰিছে। গতিকে **গ'ল** সমাপিকা ক্ৰিয়াৰ অসমাপিকা ক্ৰিয়া তিনিটা ঃ **ধুই**, খাই আৰু পিন্ধি, ইহঁতে তিনিটা পৃথক বাক্য সংযোগ কৰি এটা কৰিছে। এইদৰে একেটা কৰ্তাৰে এটা মাথোন সমাপিকা ক্ৰিয়া আৰু এটা বা একাধিক অসমাপিকা থাকিলে তাক এক কৰ্তৃক অসমাপিকা ক্ৰিয়া বোলা হয়।

অসমাপিকা ক্ৰিয়াৰ ক্ষেত্ৰত আৰু এটা মন কৰিবলগীয়া কথা হৈছে যে ই বাক্যহে সম্পূৰ্ণ কৰিব নোৱাৰে; কিন্তু কেতিয়াবা কোনো এটা কাৰ্য শেষ কৰা বা চলি থকা বুজাব পাৰে। যেনে,

ৰামে ৰাৱণক মাৰি সীতাক উদ্ধাৰ কৰিলে।

যাদৱে অংক **কৰি** আছে।

ইয়াৰে প্ৰথম বাক্যৰ **ৰামে ৰাৱণক মাৰি**, মানে মাৰি উঠি অৰ্থাৎ মৰা কাৰ্য শেষ কৰিহে সীতাক উদ্ধাৰ কৰিলে। গতিকে **মাৰি** অসমাপিকাত কাৰ্য এটা শেষ কৰাৰ অৰ্থ

নিহিত আছে, কিন্তু ই বাক্যৰ সমাপ্তি বুজোৱা নাই। আনহাতে দ্বিতীয় বাক্যৰ **কৰি** অসমাপিকাইও অংক কৰা কাৰ্যটো চলি থকাহে বুজাইছে, বাক্যটোৰ সমাপ্তি বুজাইছে **আছে** ক্ৰিয়াইহে। গতিকে অসমাপিকাই সদায় বাক্যৰ অসমাপ্তিহে বুজায়, সেই ক্ৰিয়াৰ কাৰ্য বা ভাৱৰ অসমাপ্তি নুবুজাবও পাৰে।

**১২.০৬ ক্ৰিয়াৰ অসমাপিকা ৰূপ গঠন কৰা অন্যান্য প্ৰত্যয় ঃ** অতীত কৃদন্ত পদ গঠন কৰা -লে বা **-ইলে** আৰু -লত বা **-ইলত** প্ৰত্যয় কোনো ধাতুৰ পিছত যোগ দিও অসমাপিকা ক্ৰিয়া গঠন কৰিব পাৰি। সাধাৰণতে কৃৎ প্ৰত্যয়ান্ত কৃদন্ত শব্দই বাক্যৰ অৰ্থ সম্পূৰ্ণ কৰিব নোৱাৰে। যেনে,

দাদাই **পঢ়িলে** ময়ো পঢ়িম।

দৰব **খালে** অসুখ গুচে।

সি **গ'লত** মই শুলোঁ।

পুলিচ **আহিলত** ডকাইতবোৰ পলাল।

উল্লিখিত বাক্যকেইটাত থকা ক্ৰমে **পঢ়িলে, খালে, গলত, আহিলত** কদৃন্ত পদে বাক্যৰ অৰ্থ সম্পূৰ্ণ কৰা নাই বাবে সিহঁত একপ্ৰকাৰ অসমাপিকা ক্ৰিয়া। এনে অসমাপিকা ক্ৰিয়াৰ কাৰ্যৰ ওপৰতে উল্লিখিত বাক্যৰ **পঢ়িম, গুচে, শুলোঁ** আৰু **পলাল** সমাপিকা ক্ৰিয়া কেইটাৰ কাৰ্য নিৰ্ভৰ কৰে। ইয়াৰপৰা দেখা যায় যে **-লে/-ইলে, -লত/-ইলত** প্ৰত্যয়ান্ত অসমাপিকা ক্ৰিয়াযুক্ত বাক্যবোৰৰ দুটা অংশ আৰু দুয়োটা অংশৰে কৰ্তাও পৃথক পৃথক। উল্লিখিত বাক্যবোৰৰ প্ৰথম অংশই অকলে অৰ্থ প্ৰকাশ কৰিব নোৱাৰে; কিন্তু দ্বিতীয় অংশ অকলে অৰ্থবহ অৰ্থাৎ **ময়ো পঢ়িম** এই অংশই অকলে অৰ্থ প্ৰকাশ কৰিব পাৰে; মাত্ৰ ময়ো পঢ়াৰ কাৰ্যটো নিৰ্ভৰ কৰিব পৃথক কৰ্তা থকা **দাদাই পঢ়িলে** অংশৰ ওপৰতহে। এইদৰে পৃথক কৰ্তা থকা অসমাপিকা ক্ৰিয়াক ভিন্ন কৰ্তৃক অসমাপিকা ক্ৰিয়া বোলা হয়।

**-ওঁতে** আৰু **-ওৱাত** প্ৰত্যয়ান্ত বৰ্তমান কৃদন্ত ৰূপৰদ্বাৰাও ক্ৰিয়াৰ অসমাপিকা ৰূপ পাব পাৰি। যেনে,

মই ভাত **খাওঁতে** তেওঁ আহি পালে।

ঔষধ **খুওৱাত** তাৰ অসুখ ভাল হ'ল।

প্ৰথম বাক্যৰ অসমাপিকা ক্ৰিয়া **খাওঁতে** -ৰ কৰ্তা **মই** আৰু দ্বিতীয় বাক্যৰ **খুওৱাত** অসমাপিকাৰ কৰ্তা হৈছে **ঔষধ**। গতিকে এনেবোৰ অসমাপিকাও ভিন্ন কৰ্তৃক অসমাপিকা।

অসমীয়াত -ইব/ইবলৈ প্ৰত্যয়ান্ত তুমুনন্ত বা নিমিত্তাৰ্থক ক্ৰিয়াপদবোৰো এক প্ৰকাৰৰ অসমাপিকা ক্ৰিয়া। কিয়নো **চাবলৈ, কৰিব** বা **কৰিবলৈ** আদি নিমিত্তাৰ্থক ক্ৰিয়াই বাক্যবোৰ শেষ হোৱা নুবুজায়; তাৰ পিছত **দিয়া, আছে** আদি সমাপিকা ক্ৰিয়া যোগ হ'লেহে বাক্য সম্পূৰ্ণ হয়।

-লে/-ইলে আৰু -ওঁতে প্ৰত্যয়ান্ত অসমাপিকা ক্ৰিয়াবোৰ নঞৰ্থক ৰূপতো পোৱা